# অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অন্তৰ্গত অসমীয়া বিভাগৰ অধীনত
পিএইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে প্ৰদত্ত গৱেষণা-গ্ৰন্থ


**চক্ৰধৰ ৰায়**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়

২০২৩

# Abibhakta Goalpara Jilar Koch-Rajbongshi Janagostir Sadhukatha : Ek Pariveshtantrik Adhyayan

[A THESIS SUBMITTED TO BODOLAND UNIVERSITY FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE SUBJECT OF ASSAMESE UNDER THE FACULTY OF LANGUAGES]

Submitted by :

**CHAKRADHAR ROY**
Department of Assamese
Bodoland University
2023

# উপসংহাৰ

বৰ্তমান সময়ত পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন হৈ পৰিছে মানৱ সভ্যতাৰ অন্যতম প্ৰত্যাহ্বান। মানুহে এফালে প্ৰকৃতি সংৰক্ষণৰ কথা কৈছে, আনফালে প্ৰকৃতি ধ্বংসৰ দৰে ভয়াৱহ কামত লিপ্ত হৈছে। সেই হেতু বিশ্বৰ বিভিন্ন সংস্থাসমূহে নিৰ্ধাৰণ কৰি দিয়া অনুশাসন আৰু দেশভেদে ৰূপায়ন কৰা পৰিৱেশ সংৰক্ষণৰ আইন-কানুনসমূহ বহু পৰিমাণে অৰ্থহীন ৰূপত প্ৰমাণিত হৈছে। এনেক্ষেত্ৰত মানুহৰ নৈতিকতাৰ বিকাশ কৰাটো বৰ্তমান সময়ত অন্যতম গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ইতিমধ্যে আলোচ্য পাঁচটা অধ্যায়ৰ মূল বিষয়টোৱেই হৈছে  লোকপাঠসমূহৰ আধাৰত পাৰিপাৰ্শ্বিক নৈতিকতাৰ বিকাশ ঘটোৱা আৰু ব্যৱহাৰিক ৰূপত প্ৰয়োগ কৰা। বহুমুখী তাত্ত্বিক বিষয় হিচাপে পৰিৱেশতান্ত্ৰিক সমালোচনাই সাহিত্যিক পাঠসমূহত প্ৰকাশিত মানুহ আৰু পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্কক বিভিন্ন দিশৰপৰা অধ্যয়ন কৰাৰ লগতে সংৰক্ষণ আৰু সচেতনতাৰ প্ৰসঙ্গসমূহক দাঙি ধৰা দেখা যায়। প্ৰথম অধ্যায়ত পৰিৱেশতান্ত্ৰিক সমালোচনাৰ উৎপত্তিগত কাৰণ, বিৱৰ্তনৰ ধাৰা আৰু পৰিৱেশতান্ত্ৰিক সমালোচনাই সাঙুৰি লোৱা তাত্ত্বিক দিশসমূহক আলোচনা কৰা হৈছে। এনে আলোচনাত দেখা পাইছো যে বিশ্বৰ কিছুমান দৃষ্টিকটু পৰিৱেশ ধ্বংসৰ ঘটনাই পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক চিন্তাত অৰিহণা যোগাইছে। উদাহৰণৰ স্বৰূপে ১৯৭৩ চনত উত্তৰাখণ্ডত আৰম্ভ হোৱা পৰিৱেশ সুৰক্ষাকেন্দ্ৰিক ‘চিপ্‌কো’ আন্দোলন। এই আন্দোলনৰ মূল শ্লোগানটো আছিলে ‘পৰিৱেশতন্ত্ৰ হৈছে স্থায়ী অৰ্থনীতি’, অৰ্থাৎ পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা আৰু দেশৰ বহনক্ষম অৰ্থনীতি ব্যৱস্থাৰ বাবে পৰিৱেশ সংৰক্ষণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। আনহাতে ৰাছেল কাৰছনৰ ‘Silent Spring’ গ্ৰন্থখনে পৰিৱেশ সংৰক্ষণ আৰু সজাগতাৰ ক্ষেত্ৰত খলকনি তুলিছিল। গ্ৰন্থখনত বিশেষকৈ কীটনাশক ডিডিটি ব্যৱহাৰৰ ক্ষেত্ৰত দেখা দিয়া পাৰিপাৰ্শ্বিক বিসংগতিসমূহ বিস্তাৰিত ৰূপত প্ৰকাশ পাইছিল। ফলশ্ৰুতিত ১৯৬৯ চনত পোন প্ৰথমবাৰৰ বাবে আমেৰিকাত পৰিৱেশ সংৰক্ষণ সংক্ৰান্তত জাতীয় পৰিৱেশ আইন প্ৰণয়ন কৰা পৰিলক্ষিত হ’ল। বিশ্লেষণৰ সময়ছোৱা এইটো স্পষ্ট হৈছে যে পাৰিপাৰ্শ্বিক নৈতিকতাবোধ আৰু বহনক্ষম সংৰক্ষণৰ কথা ক’বলৈ গৈ পৰিৱেশতান্ত্ৰিক সমালোচনাই বহুমুখী তাত্ত্বিক দৃষ্টিভংগীক ৰূপায়নৰ  পোষকতা কৰিছে। এই সমালোচনাই  কেৱল মানুহ আৰু প্ৰাকৃতিক উপাদানৰ কথাকে সামৰি লোৱা নাই, সমান্তৰালভাৱে মানৱ সৃষ্ট কৃত্ৰিম পৰিৱেশত কি ধৰণৰ পাৰিপাৰ্শ্বিক সচেতনতা বা নৈতিকতাবোধৰ অনুশীলন হৈছে সেয়াও আলোচনাৰ আওতাত সামৰি লৈছে।

নৈতিকতাৰ সমান্তৰালভাৱে পৰিৱেশতান্ত্ৰিক সমালোচনাই পাৰিপাৰ্শ্বিক নাৰীবাদী

দৃষ্টিভংগীৰে পৰিৱেশ আৰু নাৰীৰ সমৰূপতা আৰু সমঅধিকাৰৰ বিষয়টোক আলোকপাত কৰা দেখা গৈছে লোকপাঠসমূহৰ মাজত। গতিকে পাৰিপাৰ্শ্বিক অধিকাৰৰ ক্ষেত্ৰত পুৰুষৰ সমানে সমানে নাৰী বা প্ৰকৃতিৰ অধিকাৰসমূহৰ আলোচনা বা প্ৰয়োগ হ'ব লাগে। ঠিক একেদৰে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ ক্ষমতাৰ জয়গান গোৱাৰ সমান্তৰালভাৱে প্ৰকৃতি উপাসনা আৰু দেৱীপূজাৰ মাহাত্ম্যক গুৰুত্ব দিয়া প্ৰসংগটো পৰিৱেশতান্ত্ৰিক সমালোচনাত দেখা গৈছে।

দ্বিতীয় অধ্যায়ত কোচ-ৰাজবংশী কেচ্চা বা সাধুকথাৰ সামগ্ৰিক আলোচনা কৰিবলৈ যাওঁতে কোচ-ৰাজবংশী লোক সংস্কৃতিৰ বৰ পথাৰখন আলোচনাৰ আওতালৈ অনা হৈছে। গৱেষণাৰ আৰম্ভণিতে আমি লক্ষ্য কৰিছিলোঁ যে কোচ-ৰাজবংশী কেচ্চা বা সাধুকথাসমূহৰ বিজ্ঞানসন্মত শ্ৰেণীবিভাজন কৰা হোৱা নাছিল। এই গৱেষণা কাৰ্যত মূলত ৭৫টা কোচ-ৰাজবংশী সাধুকথাৰ অধ্যয়ন আৰু বৈশিষ্ট্যগত বিশ্লেষণৰ পিছত কোচ-ৰাজবংশী সাধুকথাক মূলতঃ ৭টা ভাগত ভাগ কৰা হৈছে। সমান্তৰালভাৱে কোচ-ৰাজবংশী কেচ্চা বা সাধুকথাৰ বিশেষত্ব, বিষয়বস্তু আৰু চৰিত্ৰৰ বিষদ আলোচনা কৰা হৈছে। এনে আলোচনাত কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাসমূহৰ ক্ষেত্ৰত কিছু নতুনত্বৰ সন্ধান পোৱা গৈছে। দৰাচলতে উপাস্য দেৱতাক পূজা কৰিবলৈ মন্ত্ৰৰ ব্যৱহাৰ কৰা হয়। কিন্তু আমাৰ অধ্যয়নত এইটো স্পষ্ট হৈছে যে কোচ-ৰাজবংশী লোকসমাজত মন্ত্ৰৰ ব্যৱহাৰৰ বাহিৰেও এনে কিছু লোক অনুষ্ঠান বা লোক দেৱতা আছে, যাক পূজা কৰিবলৈ মন্ত্ৰৰ সলনি কেচ্চা বা সাধুকথা কোৱা হয়। ইয়াৰ ভিতৰত সুবচনী পূজা, কড়া-কড়ি, সাইটল পূজা অন্যতম। সমান্তৰালভাৱে কোচ-ৰাজবংশী লোকসকলে শ্ৰম লাঘৱ কৰাৰ বাবে গীতৰ সমান্তৰালভাৱে সাধুকথা কোৱাৰো প্ৰথা প্ৰচলিত আছিল। ঠিক একেদৰে বিষয়বস্তুৰ ক্ষেত্ৰত কোচ-ৰাজবংশী সাধুকথাসমূহক দুটা দিশেৰে চাব পাৰি— এটা হৈছে স্থানীয় প্ৰসংগ আৰু দ্বিতীয়টো হৈছে চিৰন্তন প্ৰসংগ। স্থানীয় প্ৰসঙ্গসমূহত মূলত ঠাইৰ নাম, নদ-নদীৰ নাম, লোক ভাষা, স্থানীয় কিংবদন্তি, লোক ধৰ্ম, লোক বিশ্বাস, স্থানীয় ইতিহাস ইত্যাদিক সামৰিব পাৰি। দ্বিতীয়তে মানৱীয় আশা-আকাংক্ষা, অলৌকিক ঘটনা, সত্যৰ জয় আৰু অসত্যৰ পৰাজয়, জীৱ-জন্তুৰ প্ৰসংগ, পাৰিপাৰ্শ্বিক সচেতনতা ইত্যাদি প্ৰসঙ্গসমূহক চিৰন্তন দিশটোৰে সামৰি লৈছে। কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত দীপলাই বিল, গদাধৰ নদী, ভাৰুৱাকাটা পাহাৰ, নাককাটি পাহাৰ, আলমগঞ্জ, প্ৰতাপগঞ্জ, লোক দেৱতা বাঘ পূজাৰ প্ৰসঙ্গৰে বঙাইগাঁওৰ বাঘেশ্বৰী মন্দিৰ ইত্যাদি ঠাইসমূহে এই জনগোষ্ঠীয় সাধুসমূহক অধিক স্থায়িত্ব প্ৰদান কৰিছে।

তৃতীয় অধ্যায়ত মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কৰ দিশটো আলোচনাৰ মাজলৈ অনা হৈছে। এইখিনি আলোচনা কৰিবলৈ গৈ পাৰিপাৰ্শ্বিক নৈতিকতাবোধ, পৰিৱেশতান্ত্ৰিক নাৰীবাদ,

জন্তু অধ্যয়ন আৰু জৈৱ-আঞ্চলিকতাবাদী দৃষ্টিভংগীক সামৰি লোৱা হৈছে। পাৰিপাৰ্শ্বিক ভাৰসাম্যতা বজাই ৰাখিবলৈ **পাৰিপাৰ্শ্বিক নৈতিকতাবোধৰ** প্ৰসঙ্গটো অত্যন্ত গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ছোৱাত মানুহে যধে-মধে অৰণ্য ধ্বংস কৰি বসতি স্থাপন কৰাৰ ফলত পৃথিৱীৰ সকলো স্থানতে পৰিৱেশকেন্দ্ৰিক সমস্যাসমূহৰ প্ৰতিদিনে সন্মুখীন হবলগীয়াত পৰিছে। এনেক্ষেত্ৰত ডাঙৰ প্ৰশ্নটো হৈছে মানুহৰ পাৰিপাৰ্শ্বিক নৈতিকতাৰ স্খলন ঘটিছে নেকি? এই একেই প্ৰশ্ন কোচ-ৰাজবংশী সাধুকথাত মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কৰ প্ৰসঙ্গত উত্থাপন কৰা হৈছিল। কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাৰ গৰিষ্ঠসংখ্যক সাধুকথাতে মানুহৰ পাৰিপাৰ্শ্বিক নৈতিকতাবোধৰ স্খলন হোৱাটো আছিল আমাৰ গৱেষণাৰ প্ৰাপ্ত ফলাফল। অৰ্থাৎ মানুহে পূৰ্বৰপৰাই প্ৰকৃতিক নিজৰ ইচ্ছা অনুসৰি ব্যৱহাৰ কৰি আহিছে। এনে অৱক্ষয়ৰ মাজত লুকাই আছে মানুহৰ লোভ, ঈৰ্ষা আৰু প্ৰসাৰণবাদী চিন্তা। সাধুকথাবোৰতো সেয়াই প্ৰতিপন্ন হৈছে। 'দেউসী আৰু দীপলাই বিলৰ কাহিনী' শীৰ্ষক সাধুকথাত দীপলাই দেৱীয়ে নিজৰ ডাঙৰ মাছটো নিদিব, ইফালে কোচ দেউসীয়ে মাছটো লৈহে এৰিব। এনে সংঘাতে প্ৰকৃতিৰ প্ৰতি মানুহৰ আক্ৰোশমূলক স্থিতিকে প্ৰতিনিধিত্ব কৰিছে। মানুহৰ এনে আচৰণৰ বিপৰীতে পৰিৱেশতান্ত্ৰিক সমালোচনাতত্ত্বই মানুহৰ নৈতিকতাৰ সংশোধনৰ পোষকতা কৰে। কিন্তু মানুহৰ বিপৰীতে প্ৰকৃতিৰ উপাদানসমূহে ইতিবাচক নৈতিকতাবোধৰ উদাহৰণ দাঙি ধৰিছে। কোচ-ৰাজবংশী সাধুকথাত চিলনী, কুকুৰ, ঘোঁৰা আৰু বাঘ ইত্যাদিয়ে মানুহৰ সন্তানক লালন পালন কৰা, ফেঁচায়ে বিপদত পৰা হাতীক সহায় কৰিছে, হাতীয়ে মানুহৰ দুখ বুজি উদ্ধাৰ কৰা ইত্যাদি নৈতিকতাবোধৰ প্ৰসঙ্গসমূহ পোৱা গৈছে। এনে উদাহৰণে মানুহ আৰু পৰিৱেশৰ মাজত এক সুস্থ আন্তঃসম্পৰ্কৰ বিষয়টোক দাঙি ধৰিছে, য'ত বিজ্ঞানসন্মতভাৱে পাৰিপাৰ্শ্বিক ভাৰসাম্যতাৰ লগতে পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ বিষয়টো জড়িত হৈ আছে।

বহুমুখী তত্ত্ব পৰিৱেশতান্ত্ৰিক সমালোচনাৰ অন্যতম শাখা হৈছে **পৰিৱেশতান্ত্ৰিক নাৰীবাদ**। এই শাখাত প্ৰকৃতিক নাৰীৰ সৈতে তুলনা কৰাৰ সমান্তৰালভাৱে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক যিদৰে অত্যাচাৰ কৰা হয় বা অধিকাৰ ভোগৰ প্ৰসঙ্গত আঁতৰাই ৰখা হয়, তদ্ৰূপ পুঁজিবাদী শ্ৰেণীটোৱে প্ৰকৃতিৰ ওপৰত সমপৰ্যায়ৰ অত্যাচাৰ বা ধ্বংস কৰে বুলি মত পোষণ কৰা হয়। নাৰী আৰু প্ৰকৃতিক কৰা অত্যাচাৰৰ প্ৰসঙ্গসমূহ কোচ-ৰাজবংশী সাধুকথাৰ মাজতো পোৱা গৈছে। 'হস্তীৰ কন্যা' আৰু 'সাত সতিনী' শীৰ্ষক সাধুত ইয়াৰ প্ৰতিফলন ঘটিছে। ইয়াৰ বাহিৰেও প্ৰকৃতি আৰু নাৰীৰ সমতুল্যতাৰ বিষয়টো কোচ-ৰাজবংশী সাধুকথাত পোৱা গৈছে। দেখা গৈছে যে সাধুকথাত নাৰীক সদায় অবলা আৰু দুৰ্বল ৰূপত লগ পোৱা যায়। কিন্তু কোচ-ৰাজবংশী সাধুকথা কিছুমানত এনে চিৰন্তন ধাৰণাসমূহক ভাঙি পেলোৱা হৈছে। উদাহৰণ স্বৰূপে 'দুই সখী' আৰু

'বুঢ়া আৰু ভাটৌ' শীৰ্ষক সাধুৰ কথা ক'ব পাৰি, য'ত নাৰীয়ে সিদ্ধান্ত ল'ব পৰা ক্ষমতা আৰু অৰ্থনৈতিক ক্ষমতাৰ অধিকাৰী হৈ উঠিছে। **আধ্যাত্মিক পৰিৱেশতান্ত্ৰিক নাৰীবাদে** পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষে নিজৰ বাবে সৃষ্টি কৰা আধ্যাত্মিক অভ্যাসসমূহৰ বিপৰীতে দেৱী পূজা আৰু প্ৰকৃতি উপাসনাৰ বিষয়টো দাঙি ধৰে। এই তাত্ত্বিক দিশেৰে কোচ-ৰাজবংশী সাধুকথাসমূহক ফঁহিয়াই চালে দেখা যায় যথেষ্ট সংখ্যাক সাধুকথাতে দেৱী পূজা আৰু প্ৰকৃতিক উপাসনা কৰা পৰিলক্ষিত হৈছে। সুবচনী পূজা, কড়া-কড়ি পূজা, সাইটল দেৱীৰ পূজা ইত্যাদি দেৱী পূজাৰ প্ৰসঙ্গ কোচ-ৰাজবংশী সাধুকথাসমূহত পোৱা গৈছে। সমান্তৰালভাৱে বাঘ পূজা, পাহাৰ পূজা ইত্যাদি প্ৰকৃতি অৰ্চনা বিষয়ক দিশসমূহ এই জনগোষ্ঠীয় সাধুসমূহত পৌনঃপৌনিকভাৱে বিদ্যামান।

**জন্তু অধ্যয়ন** দৃষ্টিভংগীৰে মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক বিশ্লেষণ কৰিবলৈ গৈ পোৱা মূল বিষয়টো হৈছে ক্ষমতা বা শক্তি সংয়োজন। দৰাচলতে জন্তু অধ্যয়নৰ তাত্ত্বিক দিশে প্ৰজাতিসমূহৰ অধিকাৰ আৰু অন্তৰ্নিহিত ক্ষমতাৰ গুৰুত্বৰ বিষয়টো আলোচনা কৰে। আন্তঃসম্পৰ্কৰ দিশটো হৈছে মানুহ আৰু জীৱ-জন্তুসমূহৰ উভয় শক্তি বা ক্ষমতাৰ সংযোজনত কৰ্মৰ সম্পাদন আৰু অৰ্থনৈতিক উন্নয়ন। কোচ-ৰাজবংশী সাধুকথাত সততে দেখা পোৱা গৈছে যে মানুহে নিজৰ দৈনন্দিন কাৰ্য সাধন কৰিবলৈ গৈ জীৱ-জন্তুৰ সহায় লৈছে। কৃষি কাৰ্য, চিকাৰৰপৰা আৰম্ভ কৰি ব্যক্তিগত সুৰক্ষা তথা যুদ্ধ জয় কৰালৈকে জীৱ-জন্তুক ব্যৱহাৰ কৰা হৈছে। এই ধৰণৰ কাৰ্যত উভয় প্ৰজাতিৰ ক্ষমতাৰ সংযোজনত মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কৰ দিশটো স্পষ্ট ৰূপত ফুটি উঠিছে।

**জৈৱ-আঞ্চলিকতাবাদ**ৰ দৰে ৰাজনৈতিক তত্ত্বসমূহৰদ্বাৰাও পৰিৱেশতান্ত্ৰিক সমালোচনাই লোকপাঠসমূহৰ পৰিৱেশমূলক পঠন কৰা দেখা গ'ল। এই তাত্ত্বিক দিশে নিৰ্দিষ্ট ভৌগোলিক পৰিৱেশত গঢ় লোৱা সংস্কৃতি, আচৰণ, লোক সাহিত্য, লোক বিশ্বাস ইত্যাদিৰ আধাৰত নিৰ্মিত সংশ্লিষ্ট জনগোষ্ঠীটোৰ আঞ্চলিক পৰিচয়ক প্ৰতিনিধিত্ব কৰে। অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি থকা কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ ইতিহাস অতি প্ৰাচীন। এই জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকসাহিত্য তথা সাধুকথাসমূহৰ অধ্যয়ন কৰিবলৈ গৈ সামগ্ৰিকভাৱে সাংস্কৃতিক পৰিকাঠামো অধ্যয়ন কৰাত দেখা গৈছে যে এই জনগোষ্ঠীয় লোকসকল ইতিহাসে ঢুকি নোপোৱা কালৰপৰাই এই অঞ্চলত বসবাস কৰি আছে। গতিকে এই অঞ্চলৰ ভৌগোলিক পৰিৱেশে কোচ-ৰাজবংশী জনগোষ্ঠীৰ একক আৰু ভিন্ন সাংস্কৃতিক পৰিকাঠামো গঢ় দিয়াৰ দ্বাৰা সুকীয়া আৰু ভিন্ন আঞ্চলিক পৰিচয় নিৰ্মাণ কৰিছে, য'ত এই দিশটো স্পষ্ট যে এই জনগোষ্ঠীয় লোকসকল এই অঞ্চলৰ ভূমিপুত্ৰ বা থলগিৰি মানুহ। ইতিমধ্যে আলোচিত 'হস্তীৰ কন্যা', 'ভেক বামুণ আৰু টুনি',

‘দুই সুখী’, ‘ভূমীশ্বৰৰ কাহিনী’ আৰু ‘দেউসী আৰু ডিপলাই বিলৰ কাহিনী’ ইত্যাদি সাধুকথাৰ লগতে বিশ্বসিংহৰ জন্ম বা চিকনাঝাৰ দৰে কিংবদন্তিসমূহে কোচ-ৰাজবংশী জনগোষ্ঠী লোকসকল প্ৰাচীন সময়ছোৱাৰপৰাই যে অবিভক্ত গোৱালপাৰা জিলাত বসবাস বা বিচৰণ কৰিছিল তাক শক্তিশালী ৰূপত দাঙি ধৰিছে।

চতুৰ্থ অধ্যায়ত **পৰিৱেশমূলক অন্তৰ্দৃষ্টি** সম্পৰ্কত আলোচনা কৰা হৈছে। দৰাচলতে এই ধাৰণাই লোকপাঠ একোটাক গভীৰভাৱে অনুধাৱন কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰে। সাধাৰণতে সাধুকথা বা লোকপাঠ একোটাৰ সাধাৰণ বুলি ভাবি থকা কথা বা ঘটনা এটাত অন্য বিষয় বা ভিন্ন অৰ্থ নিহিত হৈ থাকে, যাক মাথোঁ অন্তৰ্দৃষ্টিৰে উপলব্ধি কৰা সম্ভৱপৰ। কোচ-ৰাজবংশী সাধুকথাসমূহত প্ৰকাশ পোৱা জনগোষ্ঠীটোৰ লোক বিশ্বাস, পৰম্পৰাগত ৰীতি-নীতি তথা লোকাচাৰসমূহে পৰিৱেশমূলক অন্তৰ্দৃষ্টি বিষয়টোক প্ৰতিনিধিত্ব কৰা পৰিলক্ষিত হৈছে। এনে অন্তৰ্দৃষ্টিৰ মাজতে পৰিৱেশ সচেতনাত, সংৰক্ষণ আৰু বহনক্ষম ব্যৱস্থাপনা অন্তৰ্নিহিত হৈ থাকে। উদাহৰণ স্বৰূপে কোচ-ৰাজবংশী সাধুকথাত পোৱা পাহাৰ পূজা, বাঘ পূজাৰ দৰে লোকাচাৰসমূহত পাৰিপাৰ্শ্বিক অন্তৰ্দৃষ্টিৰে ফঁহিয়াই চাবলৈ যত্ন কৰিলে পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম ব্যৱস্থাপনাৰ দিশটো দৃষ্টিগোচৰ হয়, অৰ্থাৎ এনে ধৰণৰ বিষয়বোৰে লোকপাঠ একোটাৰ পাৰিপাৰ্শ্বিক পঠনৰ গুৰুত্ব বঢ়াই তুলিছে। আমাৰ অধ্যয়নত এইটো স্পষ্ট হৈ পৰিছে যে বৰ্তমান সময়ছোৱাত পৰিৱেশ বিপৰ্যয়ৰ সংক্ৰান্তত দেখা দিয়া সমস্যাসমূহৰ বিপৰীতে মানুহে যদি লোকপাঠসমূহত প্ৰাপ্ত লোকাচাৰ বা ৰীতি-নীতিসমূহৰ অন্তৰ্দৃষ্টিগত মূল্যবোধক প্ৰায়োগিক দিশত মূল্যাংকন কৰিব পাৰে; তেন্তে বহুপৰিমাণে পাৰিপাৰ্শ্বিক সমস্যাৰ সমাধানৰ পথ প্ৰশস্ত হ’ব।

পঞ্চম অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গসমূহৰ পৰিৱেশমূলক তাৎপৰ্য বিচাৰ কৰা হৈছে। সাধুকথাৰ ৰূপাঙ্গসমূহে মূলতঃ সাধুকথাৰ বিশ্বজনীন চৰিত্ৰক প্ৰতিনিধিত্ব কৰে। কোচ-ৰাজবংশী সাধুকথাসমূহত এনে বহু ৰূপাঙ্গ পোৱা গৈছে, যি ৰূপাঙ্গসমূহৰ পৃথিৱীৰ অন্য ভাষা বা জনগোষ্ঠীয় সাধুকথাৰ সৈতে একে। আমাৰ গৱেষণাৰ অন্তত ফলৰপৰা মানুহৰ জন্ম, নদীৰ সৈতে মানুহৰ বিবাহ, সিংহৰদ্বাৰা মানৱীয় সন্তানৰ লালন-পালন, চিলনীয়ে মানুহৰ কেঁচুৱাক নিজৰ কৰি ডাঙৰ দীঘল কৰা, ফেঁচায়ে হাতীক সহায় কৰা, পাহাৰ পূজা, বাঘ পূজা তথা খেতিপথাৰৰ ফাৰাল পূজাৰ দৰে পৰিৱেশমূলক ৰূপাঙ্গসমূহ কোচ-ৰাজবংশী সাধুকথাত পোৱা গৈছে। এনে পৰিৱেশমূলক ৰূপাঙ্গসমূহে প্ৰধানত পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ প্ৰসঙ্গসমূহক দাঙি ধৰিছে। সমান্তৰালভাৱে কোচ-ৰাজবংশী সাধুকথাৰ প্ৰাপ্ত ৰূপাঙ্গসমূহে এইটো প্ৰমাণিত কৰিছে যে এই জনগোষ্ঠীয় লোকসকলৰ জীৱনশৈলী, পৰম্পৰা, ৰীতি-নীতি, লোক উৎসৱ, চিন্তাধাৰা আৰু লোক বিশ্বাসৰ

পৰম্পৰাসমূহ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল।

সামগ্ৰিকভাৱে আমাৰ গৱেষণাৰ প্ৰাপ্ত ফলাফল হৈছে সাধুকথাৰ দৰে লোকপাঠসমূহত অন্তৰ্নিহিত হৈ থকা পৰম্পৰাগত জ্ঞানৰ আধাৰত পৰিৱেশ সুৰক্ষা আৰু সচেতনতাক প্ৰসাৰিত কৰা। প্ৰতিটো অধ্যায়ৰ মূল কথাটোৱেই আছিল পাৰিপাৰ্শ্বিক নৈতিকতাৰ বিকাশ, নাৰী আৰু প্ৰকৃতিৰ সমতুল্যতা, প্ৰজাতিসমূহৰ অধিকাৰ, মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থান তথা প্ৰকৃতি সংৰক্ষণৰ চেতনা। পাৰিপাৰ্শ্বিক নৈতিকতাই প্ৰাকৃতিক সম্পদৰ বহনক্ষম প্ৰসঙ্গসমূহক দাঙি ধৰিছে, য'ত প্ৰাকৃতিক সম্পদৰ মিতব্যয়িতা, প্ৰকৃতিৰ সংৰক্ষণৰ দৰে দিশসমূহ স্পষ্ট ৰূপত জড়িত হৈ আছে। সাধুকথাসমূহে কেৱল প্ৰকৃতিৰ সুৰক্ষা তথা মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থানৰ কথাই নকয়; ইয়াৰ লগতে জাতি একোটাৰ ৰাজনৈতিক আৰু নৃতাত্ত্বিক পৰিচয় নিৰ্মাণৰ ক্ষেত্ৰটো বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা পোৱা গৈছে। আমাৰ গৱেষণাৰ আলোচ্য সাধুকথাসমূহৰ মাজতো এনে প্ৰসঙ্গসমূহ পোৱা গৈছে, যিয়ে অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি থকা কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ ৰাজনৈতিক পৰিচয় তথা ভূমি অধিকাৰৰ কথাবোৰক প্ৰতিনিধিত্ব কৰিছে। বৰ্তমান সময়ছোৱাত বিজ্ঞানৰ উন্নয়নে যিদৰে প্ৰকৃতিৰ ভাৰসাম্যতাক বিনষ্ট কৰিছে, মানুহে প্ৰকৃতিৰপৰা আঁতৰি আহিছে; তেনেক্ষেত্ৰত মৌখিক সাহিত্যৰ পৰিৱেশতাত্ত্বিক সমালোচনাৰ মাধ্যমেদি অন্তৰ্নিহিত লোকপাঠৰ মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কৰ অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। এনে অধ্যয়নে প্ৰকৃতিৰ সৈতে মানুহৰ সহাৱস্থানত বিজ্ঞানৰ বৈ যোৱা সুৰঙা বা অভাৱসমূহক পূৰণ কৰিব। একেদৰে সমসাময়িক সময়ছোৱাত জনগোষ্ঠীয় পৰিচয়ৰ সৈতে জড়িত জনগোষ্ঠীয় সংঘাতসমূহ বৃদ্ধি পাইছে। এনে ক্ষেত্ৰত সাধুকথাসমূহৰ অধ্যয়নৰদ্বাৰা এক সদূৰ প্ৰসাৰী ফলাফল লাভ কৰিব পাৰি।

### ৬.০১ গৱেষণাত প্ৰাপ্ত ফলাফলসমূহ

আমাৰ গৱেষণাৰ প্ৰতিটো অধ্যায়ৰ বিজ্ঞানসন্মতভাৱে কৰা বিশ্লেষণৰ অন্তত সামগ্ৰিকভাৱে লাভ কৰা গৱেষণাৰ ফলাফলসমূহ হৈছে—

১. কোচ-ৰাজবংশী সাধুকথাসমূহত মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক বিভিন্ন দিশেৰে যেনে মানুহ আৰু অন্যান্য জন্তুৰ ব্যৱহাৰিক আচৰণ, অলৌকিক ঘটনা, প্ৰকৃতিৰ পূজা, প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, লোকবিশ্বাস ইত্যাদিৰদ্বাৰা ৰক্ষিত হৈছে।

২. কোচ-ৰাজবংশী সাধুকথাত পাৰিপাৰ্শ্বিক নৈতিকতা ফুটি উঠা দেখা গৈছে; যিয়ে প্ৰাকৃতিক সম্পদসমূহৰ সংগ্ৰহ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত কিছু অনুশাসনৰ সৃষ্টি কৰিছে। কেৱল প্ৰাকৃতিক সম্পদসমূহৰ সুৰক্ষাৰ কথাই নহয় পাৰিপাৰ্শ্বিক নৈতিকতাৰ প্ৰসঙ্গই মানুহৰ মাজত সুস্থ পৰিৱেশৰ

সৃষ্টি কৰিব পাৰে।

৩. কোচ-ৰাজবংশী সাধুকথাসমূহত প্ৰচুৰ পৰিমাণে আঞ্চলিক আৰু ভৌগোলিক প্ৰসঙ্গসমূহ (গদাধৰ নৈ, ডিপলাই বিল, চিকনাঝাৰ, আলমগঞ্জ, লক্ষীগঞ্জ, ধাউলীগুৰী, ভূমীশ্বৰপাহাৰ, বাঘেশ্বৰী মন্দিৰ, নাককাটি পাহাৰ, ভাৰুৰাকাটা পাহাৰ, গৌৰীপুৰ ইত্যাদি) লক্ষ্য কৰা যায়। ইয়ে এটা কথা প্ৰমাণ কৰে যে কোচ-ৰাজবংশী লোকসকলে অতি প্ৰাচীন কালৰেপৰাই এই অঞ্চলত এক বহনক্ষম জীৱন পদ্ধতি গঢ় দি তুলিছে, যাক কাৰিকৰীগত অৰ্থত আমি সভ্যতা বুলি কব পাৰোঁ। সাধুকথাসমূহত প্ৰকৃতিৰ সৈতে থকা কোচ-ৰাজবংশী লোকসকলৰ আন্তঃসম্পৰ্কই এটা কথা স্পষ্টকৈ তুলি ধৰে যে এই জনগোষ্ঠীটোৰ নিজৰ ব্যক্তিগত আৰু জনগোষ্ঠীয় পৰিচয় নিৰ্মাণত এই প্ৰাকৃতিক সমলসমূহে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

৪. কোচ-ৰাজবংশী সাধুকথাত নাৰী আৰু প্ৰকৃতি সমতুল্য প্ৰসঙ্গসমূহ পোৱা গৈছে। এই সমতুল্যতা দুই ধৰণৰ প্ৰকাশ পাইছে— সৃষ্টিজনিত; দ্বিতীয়তে পুৰুষৰ দ্বাৰা নাৰী আৰু প্ৰকৃতিৰ শোষণ।

৫. কোচ-ৰাজবংশী সাধুকথাত 'দুই সখী', 'সাইটল পূজাৰ ব্ৰত কথা', 'কড়া-কড়ি পূজাৰ কেচ্চা' ইত্যাদি সাধুত দেৱী বা নাৰী শক্তিক অৰ্চনা কৰা পোৱা যায়। ঠিক একেদৰে 'দুই সখী', আৰু 'বুঢ়া আৰু ভাটৌ' ইত্যাদি সাধুত নাৰীয়ে ব্যৱসায় কৰা আৰু সম্পদৰ অধিকাৰ নাৰীৰ হাতত থকাৰ পৰা এইটো প্ৰমাণিত হয় যে পূৰ্বতে কোচ-ৰাজবংশী জনগোষ্ঠীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান উচ্চ আছিল।

৬. কোচ-ৰাজবংশী সাধুকথাত জন্তু অধ্যয়নৰ প্ৰসঙ্গসমূহ বিশ্লেষণ কৰা হৈছে আৰু পোৱা গৈছে যে কৃষি যুগৰ আৰম্ভণিৰপৰা মানুহে ক্ষমতা আৰু অৰ্থনীতিৰ বাবে জীৱ-জন্তুসমূহৰ সৈতে সহাৱস্থান কৰি আহিছে।

৭. কোচ-ৰাজবংশী সাধুকথাসমূহ পাৰিপাৰ্শ্বিক অন্তৰ্দৃষ্টিৰে অধ্যয়ন কৰি পোৱা গৈছে যে সাধুকথাত থকা কিছুমান লোকবিশ্বাস, ৰীতি-নীতি, উৎসৱ বা উপাস্য দেৱতাৰ প্ৰসঙ্গসমূহে সাধুকথাৰ অন্তৰ্নিহিত তাৎপৰ্য দাঙি ধৰে। তাৰে ভিতৰত পৰিৱেশ সংৰক্ষণ আৰু সচেতনতা, প্ৰাকৃতিক সম্পদৰ মিতব্যয়িতা, মানুহ আৰু প্ৰকৃতিৰ চিৰন্তন সম্পৰ্ক আৰু সহাৱস্থান অন্যতম।

৮. বৰ্তমান সময়ছোৱাত জনগোষ্ঠীসমূহে বহন কৰি অহা পৰম্পৰাগত জ্ঞানৰ গুৰুত্ব বৃদ্ধি পাইছে। ইয়াৰ মূল কাৰণ হৈছে বিজ্ঞানৰ দ্ৰুত বিকাশ আৰু পৰিৱেশৰ ওপৰত পৰা ইয়াৰ পাৰ্শ্বক্ৰিয়া। কোচ-ৰাজবংশী সাধুকথাসমূহত এই জনগোষ্ঠীৰ থলুৱা বা পৰম্পৰাগত জ্ঞানৰ সমাহাৰ ঘটা দেখা যায়। এনে পৰম্পৰাগত জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ দ্বাৰা পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাৰ লগতে

মানুহৰ জীৱনশৈলীত অধিক মাত্ৰাত প্ৰকৃতিৰ অংশীদাৰিত্ব সম্ভৱপৰ হ'ব বুলি আমাৰ গৱেষণাই দাবী কৰে।

৯. কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত পৰিৱেশমূলক ৰূপাঙ্গসমূহে স্পষ্ট ৰূপত পাৰিপাৰ্শ্বিক ভাৰসাম্যতা, সংৰক্ষণ আৰু সচেতনতাৰ দিশটো দাঙি ধৰিছে।

১০. গৱেষণাত প্ৰয়োগ কৰা গৰিষ্ঠসংখ্যক কোচ-ৰাজবংশী সাধুকথাতে অলৌকিক বা যাদু মন্ত্ৰৰ প্ৰভাৱ ব্যাপক ৰূপত পোৱা গৈছে। এনে হোৱাৰ দুটা কাৰণ আমাৰ গৱেষণাত পোৱা গৈছে। প্ৰথমটো হৈছে, পূৰ্বতে কোচ-ৰাজবংশী লোকসকল জীৱবাদত বিশ্বাসী আছিল। দ্বিতীয়তে, এই জনগোষ্ঠীয় লোকসকলে পিছলৈ হিন্দু ধৰ্মৰ শাক্তধাৰাত অৰ্ন্তভূক্ত হয়। সাধাৰণতে শাক্তধাৰাত প্ৰচুৰ পৰিমাণে বলি বিধান, তন্ত্ৰ-মন্ত্ৰ ইত্যাদিৰ ব্যৱহাৰ দেখা যায়।

১১. আলোচনাকৃত কোচ-ৰাজবংশী সাধুকথাত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক বহুক্ষেত্ৰত ক্ষমতা আৰু অৰ্থনৈতিক উদ্দেশ্যৰ দৃষ্টিকোণেৰে আবদ্ধ হৈ থকা পৰিলক্ষিত হয়।

আমাৰ গৱেষণা পত্ৰৰ আৰম্ভণিতে উল্লেখ কৰা হৈছিল যে কোচ-ৰাজবংশী সাধুকথাসমূহ পৰ্যাপ্ত পৰিমাণে এতিয়ালৈকে সংগ্ৰহ হৈ উঠা নাই। আমাৰ গৱেষণা কাৰ্যৰ সময়ছোৱাত অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত গাঁৱসমূহৰপৰা প্ৰায় চল্লিশটা সাধুকথা সংগ্ৰহ কৰা হৈছে। সাধু সংগ্ৰহৰ ক্ষেত্ৰত এতিয়াও বহু কৰিবলগীয়া আছে। ইয়াৰ বাহিৰেও কোচ-ৰাজবংশী সাধুকথাসমূহৰ ওপৰত পৰ্যাপ্ত পৰিমাণে তাত্ত্বিক আলোচনা এতিয়ালৈকে হৈ উঠা নাই। তাৰে ভিতৰত নৃতাত্ত্বিক অধ্যয়ন, মনোবিশ্লেষণ তত্ত্ব, গাঁথনিবাদ, নাৰীবাদ, ৰূপাঙ্গৰ বিচাৰ ইত্যাদিৰ দ্বাৰা ভৱিষ্যতে কোচ-ৰাজবংশী সাধুকথাসমূহৰ ওপৰত গৱেষণাৰ সম্ভাৱনীয়তা আছে।

অবিভক্ত গোৱালপাৰা জিলাত কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ বাহিৰেও অন্য বহু জনগোষ্ঠী অতীতৰে পৰা বসবাস কৰি আহিছে। একেটা ভৌগোলিক স্থানত বসবাস কৰাৰ বাবে বহুক্ষেত্ৰত কোচ-ৰাজবংশী সাধুকথাসমূহৰ লগত অন্য জনগোষ্ঠীয় সাধুকথাৰ কিছু মিল আৰু পাৰ্থক্যৰ দেখা যায়, যিটো স্বাভাৱিক। এনেক্ষেত্ৰত কোচ-ৰাজবংশী সাধুকথাৰ লগত অন্য জনগোষ্ঠীয় সাধুকথাৰ এক তুলনামূলক অধ্যয়ন ভৱিষ্যতে কৰাৰ প্ৰচুৰ সম্ভাৱনা দেখা যায়।

কোচ-ৰাজবংশী জনগোষ্ঠী লোক সাহিত্যৰ ক্ষেত্ৰত অতি চহকী। গতিকে সাধুকথাসমূহৰ বাহিৰেও লোক সাহিত্যৰ আন আন ভাগসমূহ যেনে লোকগীত, প্ৰবাদ প্ৰবচন, মালিতা ইত্যাদিৰ সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰণালীবদ্ধ বিদ্যায়তনিক আলোচনাৰ সম্ভাৱনা যথেষ্ট পৰিমাণে আছে।